# বৈদিক সভ্যতা

## অনুশীলনী

**প্ৰশ্ন ১। অতি চমুকৈ উত্তৰ দিয়া—**

( ক ) বৈদিক সভ্যতাৰ স্ৰষ্টা কোন ?

**উত্তৰঃ** বৈদিক সভ্যতাৰ স্ৰষ্টা হ’ল আৰ্যসকল ।

( খ ) বেদ কেইখন আৰু কি কি ?

**উত্তৰঃ** বেদ চাৰিখন । সেই কেইখন হৈছে— ঋক্‌বেদ , সামবেদ , যজুৰ্বেদ আৰু অথৰ্ববেদ ।

( গ ) প্ৰাচীনতম বেদ পুথিখনৰ নাম কি ?

**উত্তৰঃ** প্ৰাচীনতম বেদখন হ’ল – ঋক্‌বেদ ।

( ঘ ) বৈদিক যুগৰ যিকোনাে দুগৰাকী বিদুষী নাৰীৰ নাম লিখা ।

**উত্তৰঃ** বৈদিক যুগৰ দুগৰাকী বিদুষী নাৰী হৈছে— ঘাােষা আৰু লাােপামুদ্ৰা ।

( ঙ ) আৰ্যসকলৰ প্ৰধান জীৱিকা কি আছিল ?

**উত্তৰঃ** আৰ্যসকলৰ প্ৰধান জীৱিকা আছিল কৃষি ।

( চ ) আৰ্যসকলে ব্যৱসায়ৰ কামত ব্যৱহাৰ কৰা এবিধ জন্তুৰ নাম লিখা ।

**উত্তৰঃ** আৰ্যসকলে ব্যৱসায়ৰ কামত ঘোঁৰা ব্যৱহাৰ কৰিছিল ।

( ছ ) বৈদিক যুগৰ সমাজ ব্যবস্থা পিতৃপ্ৰধান নে মাতৃপ্ৰধান আছিল ?

**উত্তৰঃ** বৈদিক যুগৰ সমাজ ব্যৱস্থা পিতৃপ্ৰধান আছিল ।

( জ ) ৰজাক পৰামৰ্শ দিয়া সংগঠন দুটাৰ নাম লিখা ।

**উত্তৰঃ** ৰজাক পৰামৰ্শ দিয়া সংগঠন দুটা আছিল সভা আৰু সমিতি ।

**প্ৰশ্ন ২। আৰ্যসকলৰ আদি বাসস্থান সম্পৰ্কে কি জানা লিখা ।**

**উত্তৰঃ** আৰ্যসকলৰ আদি বাসস্থান সম্পৰ্কে পণ্ডিতসকলে ভিন্নমত দিয়া দেখা যায় । কোনাে কোনাে পণ্ডিতৰ মতে আৰ্যসকলৰ আদি বাসস্থান আছিল দক্ষিণ – পূৰ্ব ইউৰাােপৰ অষ্ট্ৰিয়া – হাংগেৰী অঞ্চল । আন কিছুমান পণ্ডিতে আৰ্যসকল মধ্য এছিয়াৰ বাসিন্দা আছিল বুলি ক'ব খাােজে । কিছুমান পণ্ডিতে তেওঁলাােক তিব্বত অঞ্চলৰ পৰা অহা বুলি ক'ব খাােজে। আন এচাম পণ্ডিতে আৰ্যসকলৰ আদি বাসস্থান উত্তৰ মেৰু অঞ্চল বুলি মত পাােষণ কৰে । কোনাে কোনাে পণ্ডিতে আৰ্যসকল সপ্তসিন্ধুৰ বাসিন্দা বুলি ক'ব খাােজে।সপ্তসিন্ধু হৈছে — সিন্ধু , শতদ্ৰু , বিপাশা , ইৰাৱতী , চন্দ্ৰভাগা , ঝিলাম আৰু সৰস্বতী নদীৰ উপত্যকা । ঠাই হিচাপে কাশ্মীৰ, সিন্ধু প্ৰদেশ আৰু পঞ্জাৱক সামৰি লৈছে । এইচাম পণ্ডিতে সপ্তসিন্ধুৰ পৰাই আৰ্যসকল ভাৰতৰ বিভিন্ন ঠাইলৈ বিয়পি পৰিছিল বুলি মত পাােষণ কৰে ।

**প্ৰশ্ন ৩। ঋক্ বৈদিক যুগৰ ৰাজনৈতিক ব্যৱস্থা কেনেকুৱা আছিল লিখা ।**

**উত্তৰঃ** ঋক্ বৈদিক যুগৰ সমাজ আৰু ৰাষ্ট্ৰৰ মূল ভেটি আছিল পৰিয়াল। বহুতাে পৰিয়াল লগ লাগি গাঁৱৰ সৃষ্টি হৈছিল । গাঁৱৰ মুখিয়ালসকলক ' 'গ্ৰামণী'বাােলা হৈছিল । কেইবাখনাে গাঁও ' লগ লাগি ' বিশৰ সৃষ্টি হৈছিল।বিশ'ৰ মুৰব্বীসকলক ' বিশপতি ' বাােলা হৈছিল । কেইবাটাও বিশ লগ লাগি ' জন'ৰ সৃষ্টি হৈছিল । জন'ৰ মুৰব্বীক 'ৰাজন' বা 'ৰজা' বাােলা হৈছিল ।

ৰজা বংশানুক্ৰমিক আছিল । ৰজাই আছিল ৰাজ্যৰ সৰ্বেসৰ্বা । অৱশ্যে তেওঁ স্বেচ্ছাচাৰী নাছিল। ৰজাক পৰামশ দিবলৈ 'সভা' আৰু 'সমিতি' নামৰ দুটা সংগঠন আছিল । ৰজাক সকলাে দিশতে ৰাজপুৰাােহিতে পৰামৰ্শ দিছিল । তদুপৰি সেনানী বা সেনাপতি , গাণনিক বিষয়া আদি বিভিন্ন বিষয়াও আছিল ।

**প্ৰশ্ন ৪। আৰ্যসকলৰ সমাজ ব্যৱস্থাৰ বিষে এটি টোকা লিখা ।**

**উত্তৰঃ** আৰ্যসকলৰ সমাজ ব্যৱস্থা আছিল পিতৃপ্ৰধান । অৰ্থাৎ পিতৃ আছিল পৰিয়ালৰ মুৰব্বী। আৰ্যসকলে পৰিয়ালক ' কুল ' আৰু মুৰব্বী গৰাকীক কুলাপা বুলিছিল । আৰ্য সমাজত নাৰীক উচ্চ সন্মান দিয়া হৈছিল । ল'ৰাৰ সমানেই ছাােৱালীকে শিক্ষা দিয়া হৈছিল । বিশ্ববাৰা , ঘাােষা , উপলা , লাােপামুদ্ৰা আদিয়ে মন্ত্ৰও ৰচনা কৰিছিল।

সাধাৰণতে এক বিবাহৰ প্ৰচলন আছিল যদিও ৰজা বা অভিজাত লােকসকলৰ মাজত বহুবিবাহৰ প্ৰচলন আছিল । আৰ্য সমাজত যৌতুক আৰু পৰ্দা প্ৰথাৰ প্ৰচলন নাছিল ।

**প্ৰশ্ন ৫। বৈদিক যুগত আৰ্যসকলৰ খাদ্যাভ্যাস কেনে আছিল লিখা ।**

**উত্তৰঃ** আৰ্যসকলৰ প্ৰধান খাদ্য আছিল ঘেঁহু , যৱধান , গাখীৰ আৰু গাখীৰেৰে তৈয়াৰী বিভিন্ন দ্ৰব্য , ফলমূল , শাক – পাচলি আদি । তেওঁলােকে ছাগলী , চৰাইৰ মাংস , গৰু আৰু ঘোঁৰাৰ মাংস , মাছ আদিও আমিষ খাদ্য হিচাপে খাইছিল । অৱশ্যে পিছলৈ গৰুৰ মাংস খাোৱাটো ত্যাগ কৰিছিল ।

**প্ৰশ্ন ৬। বৈদিক ধৰ্মৰ উপাস্য দেৱতাসকলৰ নাম লিখা ।**

**উত্তৰঃ** বৈদিক ধৰ্মত প্ৰকৃতিক বিভিন্ন ৰূপত উপাসনা কৰিছিল । যেনে — সূৰ্য , বায়ু , বৰুণ , অগ্নি , পৃথিৱী আদি । বেদত অসংখ্য দেৱ – দেৱীৰ স্তৱ থাকিলেও এজন ঈশ্বৰকে বিভিন্ন ৰূপত পূজা – অৰ্চনা কৰিছিল ।

**প্ৰশ্ন ৭। শুদ্ধ – অশুদ্ধ বাছি উলিওৱা—**

( ক ) শ্ৰুতিসমূহ মুখে মুখে চলি অহা মন্ত্ৰ ।

**উত্তৰঃ** শুদ্ধ ।

( খ ) বেদ চাৰিখন পৰৱৰ্তী বৈদিক যুগত ৰচনা কৰা হৈছিল ।

**উত্তৰঃ** অশুদ্ধ ।

( গ ) আৰ্যসকলৰ পৰিয়ালক বুলবুলি কোৱা হৈছিল ।

**উত্তৰঃ** শুদ্ধ ।

( ঘ ) গাঁৱৰ মুখিয়ালজনক ‘বিশপতি’ বুলিছিল ।

**উত্তৰঃ** অশুদ্ধ ।

( ঙ ) পুৰণি বৈদিক যুগত জাতিভেদ প্ৰথা আছিল।

**উত্তৰঃ** অশুদ্ধ ।

( চ ) লা◌েৰ ব্যৱহাৰ পা◌েন প্ৰথমে আৰ্যসকলেই কৰিছিল ।

**উত্তৰঃ** শুদ্ধ ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১। চমু উত্তৰ দিয়া –**

( ক ) আৰ্য শব্দৰ অৰ্থ কি ?

**উত্তৰঃ** আৰ্য শব্দৰ অৰ্থ হ’ল শ্ৰেষ্ঠ ।

( খ ) কিছুমান পণ্ডিতৰ মতে আৰ্য ভাষাৰ পৰা কি কি ভাষাৰ সৃষ্টি হৈছিল ?

**উত্তৰঃ** কিছুমান পণ্ডিতৰ মতে আৰ্য ভাষাৰ পৰা পাৰ্চী , লেটিন , গ্ৰীক আৰু সংস্কৃত ভাষাৰ সৃষ্টি হৈছিল ।

( গ ) আৰ্যসকলে কেতিয়া আৰু কোন দিশেৰে ভাৰতত প্ৰবেশ কৰিছিল ?

**উত্তৰঃ** আৰ্যসকলে যিশুখ্ৰীষ্টৰ জন্মৰ প্ৰায় ২৫০০ বছৰ আগতেই উত্তৰ – পশ্চিম দিশেৰে ভাৰতত প্ৰবেশ কৰিছিল ।

( ঘ ) বৈদিক সভ্যতাক আৰু কি কি নামেৰে জনা যায় ?

**উত্তৰঃ** বৈদিক সভ্যতাক আৰ্য সভ্যতা নামেৰে জনা যায় ।

( ঙ ) সপ্তসিন্ধু কি ?

**উত্তৰঃ** সপ্তসিন্ধু হৈছে সিন্ধু , শতদ্ৰু , বিপাশা , ইৰাৱতী , চন্দ্ৰভাগা , ঝিলাম আৰু সৰস্বতী নদীৰ সমষ্টি ।

( চ ) বেদ শব্দটো কি ভাষাৰ কি শব্দৰ পৰা আহিছে ?

**উত্তৰঃ** বেদ শব্দটো সংস্কৃত ভাষাৰ 'বিদ' শব্দৰ পৰা আহিছে।

( ছ ) বেদ শব্দৰ অৰ্থ কি ?

**উত্তৰঃ** বেদ শব্দৰ অৰ্থ হৈছে জ্ঞান।

( জ ) বেদ কোনে ৰচনা কৰিছিল ?

**উত্তৰঃ** বেদ আৰ্যসকলে ৰচনা কৰিছিল।

( ঝ ) সংহিতা কি ?

**উত্তৰঃ** দেৱ – দেৱীসকলৰ প্ৰাৰ্থনা আৰু স্থুতি লৈ যিবাোৰ স্তোত্ৰ ৰচিত হৈছে তাক সংহিতা বুলি কোৱা হয়।

( ঞ ) বৈদিক সাহিত্য কাক বাোলে ?

**উত্তৰঃ** বেদৰ লগতে ৰচিত ব্ৰাহ্মণ , আৰণ্যক , উপনিষদ , বেদাংগ , স্মৃতি আদিক একেলগে বৈদিক সাহিত্য বুলি কোৱা হয়।

( ট ) শ্ৰুতি কাক বাোলে ?

**উত্তৰঃ** আৰ্য ঋষি – মুনিসকলে কাল্পনিক দেৱ – দেৱীসকলৰ উপাসনাৰ বাবে মুখে মুখে উচ্চাৰণ কৰি অহা মন্ত্ৰৰ সমষ্টিকে শ্ৰুতি বাোলে।

( ঠ ) আৰ্য সমাজত গাঁৱৰ মুখিয়ালজনক কি বাোলা হৈছিল ?

**উত্তৰঃ** আৰ্য সমাজত গাঁৱৰ মুখিয়ালজনক গ্ৰামণী বাোলা হৈছিল।

( ড ) আৰ্য সমাজত বিশৰ মুখিয়ালজনক কি বাোলা হৈছিল ?

**উত্তৰঃ** আৰ্য সমাজত বিশৰ মুখিয়ালজনক বিশপতি বাোলা হৈছিল।

( ঢ ) আৰ্য সমাজত জনৰ মুখিয়ালজনক কি বাোলা হৈছিল ?

**উত্তৰঃ** আৰ্য সমাজত জনৰ মুখিয়ালজনক ৰাজন বা◌েলা হৈছিল ।

( ণ ) আৰ্য সমাজত পৰিয়ালৰ মুৰব্বী কোন আছিল ?

**উত্তৰঃ** আৰ্য সমাজত পৰিয়ালৰ মুৰব্বী আছিল পিতৃ ।

( ত ) আৰ্য সমাজতপৰিয়াল আৰু পৰিয়ালৰ মুৰব্বী জনক কি বুলি কোৱা হৈছিল ?

**উত্তৰঃ** আৰ্য সমাজত পৰিয়ালক 'কুল' আৰু পৰিয়ালৰ মুৰব্বীজনক 'কুলাপা' বা◌েলা হৈছিল ।

( থ ) আৰ্যসকলে প্ৰধানকৈ কিহৰ খেতি কৰিছিল ?

**উত্তৰঃ** আৰ্যসকলে প্ৰধানকৈ গম আৰু বাৰ্লিৰ খেতি কৰিছিল ।

**প্ৰশ্ন ২। উত্তৰ লিখা –**

**( ক ) বৈদিক সভ্যতাৰ যুগটোৰ ভাগকেইটাৰ বিষয়ে লিখা ।**

**উত্তৰঃ** বৈদিক সভ্যতাৰ যুগটোক ঐতিহাসিকসকলে দুটা ভাগত ভাগ কৰিছে । সেইকেইটা হ'ল — 'ঋক্ বৈদিক যুগ' আৰু 'পৰৱৰ্তী বৈদিক যুগ' । অৱশ্যে ঋবেদ কেতিয়া ৰচনা কৰা হৈছিল তাক লৈ পণ্ডিতসকল একমত নহয় । কিছুমান পণ্ডিতৰ মতে ঋকবেদ ৰচনাৰ সময় খ্ৰীঃপূঃ ২৫০০ বছৰ । বৰ্তমানৰ সমাজ বিজ্ঞানীসকলে ঋকবৈদিক যুগটো খ্ৰীঃপূঃৰ ১৫০০ পৰা খ্ৰীঃপূঃ ১২০০ ৰ ভিতৰত আৰু পৰৱৰ্তী বৈদিক যুগটো খ্ৰীঃপূঃ ৰ ১২০০ পৰা খ্ৰীঃপূঃ ১২০০ ৰ পৰা ধৰে ।

**( খ ) আৰ্য সমাজত নাৰীৰ স্থান কেনে আছিল ?**

**উত্তৰঃ** আৰ্য সমাজত নাৰীয়ে উচ্চস্থান লাভ কৰিছিল । স্বামীগৃহত নাৰীয়ে উচ্চ মৰ্যাদা পাইছিল। ল'ৰা – ছা◌েৱালীক সমানে শিক্ষা দিয়া হৈছিল । বিশ্ববাৰা , ঘা◌েষা আদিয়ে মন্ত্ৰও ৰচনা কৰিছিল । সেই সময়ত যৌতুক আৰু পৰ্দা প্ৰথাৰ প্ৰচলন নাছিল ।

**( গ ) আৰ্যসকলৰ বেপাৰ বাণিজ্যৰ বিষয়ে লিখা ।**

**উত্তৰঃ** আৰ্যসকলৰ বিদেশী ৰাষ্ট্ৰৰ লগত বাণিজ্যিক সম্পৰ্ক আছিল । তেওঁলাােক বেবিলনৰ লগত বাণিজ্যিক লেন – দেন চলাইছিল । ব্যৱসায় – বাণিজ্যৰ বাবে জলপথ ব্যৱহাৰ কৰিছিল । আভ্যন্তৰীণ ব্যৱসায় চলাবলৈ ঘোঁৰা ব্যৱহাৰ কৰিছিল ।

**( ঘ ) আৰ্যসকলে কেনেধৰণৰ সাজপাৰ পৰিধান কৰিছিল ?**

**উত্তৰঃ** আৰ্যসকলে প্ৰধানকৈ কপাহ আৰু ঊণেৰে তৈয়াৰী কাপাােৰ পিন্ধিছিল । হৰিণাৰ ছালাা বস্ত্ৰ হিচাপে পৰিধান কৰিছিল । সাােণৰ অলংকাৰ আৰু ফুলৰ মালাও পিন্ধিছিল । পুৰুষসকলে মূৰত পাগুৰি মাৰিছিল ।

**প্ৰশ্ন ৩। উত্তৰ লিখা –**

**( ক ) আৰ্যসকলৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে লিখা ।**

**উত্তৰঃ** ঋক্ বেদত উল্লেখ থকা মতে আৰ্যসকল প্ৰথমে পশুপালক জাতি আছিল আৰু তেওঁলাােক বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল। পাছত কৃষি কৰ্মৰ জৰিয়তে স্থায়ীভাৱে বসবাস কৰিবলৈ লাােৱাৰ পৰা কৃষি তেওঁলাােকৰ প্ৰধান জীৱিকা হৈ পৰিল । আনহাতে , কৃষিৰ বাবে পশুপালন জৰুৰী হৈ পৰাত তেওঁলাােকে বলধ , গাই গৰু , ভেড়া , ঘোঁৰা , কুকুৰ আৰু ছাগলী পুহিছিল । তেওঁলাােকে প্ৰধানকৈ গম আৰু বাৰ্লিৰ খেতি কৰিছিল । তদুপৰি ঋক্ বেদত যব , ধনিয়া আদিৰাা উল্লেখ পাােৱা যায় । আৰ্যসকলৰ মাজত সাােণাৰী , ৰথ নিৰ্মাণকাৰী , তাঁতী , ৰং কৰা আদি বৃত্তিধাৰীৰ লাােকো আছিল ।

**( খ ) আৰ্যসকলৰ বৰ্ণাশ্ৰম ধৰ্মৰ বিষয়ে লিখা ।**

**উত্তৰঃ** ঋক্ বৈদিক যুগতে বৃত্তিক কেন্দ্ৰ কৰি একোটা শ্ৰেণীৰ সৃষ্টি হৈছিল।পৰৱৰ্তী বৈদিক যুগত এই ব্যৱস্থা অধিক কটকটীয়া হৈ চাৰিটা বিশেষ শ্ৰেণী গঢ় লৈ উঠিল । যিসকল অধ্যয়ন – অধ্যাপনাৰ লগত জড়িত তেওঁলাােকক ব্ৰাহ্মণ , যুদ্ধ – বিগ্ৰহৰ লগত জড়িত সকলক ক্ষত্ৰিয়, কৃষি কাৰ্যৰ লগত জড়িত সকলক বৈশ্য আৰু একেবাৰে নিম্ন স্থানৰ লাােকসকলক শূদ্ৰ বাােলা হ’ল । এইদৰে জীৱিকা বা কৰ্ম অনুযায়ী যি বৰ্ণ বা জাতিৰ সৃষ্টি হ’ল , তাকে ‘ বৰ্ণাশ্ৰম ধৰ্ম ’ বাােলে ।